# তেতেলিগুৰি গাঁৱৰ নেপালীসকলৰ জন্ম, মৃত্যু আৰু ব্ৰতবন্ধ, বিবাহ সম্পৰ্কীয় লোকাচাৰ ঃ এটি সমীক্ষা।

(অসমীয়া সন্মান বিষয়ৰ ষষ্ঠ ষাণ্মাসিকৰ DSE-4(B) পাঠ্যক্ৰম অনুসৰি যুগুত কৰা প্ৰকল্পৰ প্ৰতিবেদন)


প্ৰস্তুতকৰ্তা ঃ

**ভূপেন দাস**

অসমীয়া বিভাগ

ৰোল নং ঃ 30410003

ৰেজিষ্ট্ৰেশন নং ঃ S2131879

**হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়**

নিতাইপুখুৰী, শিৱসাগৰ

# অসমীয়া বিভাগ
# হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

## প্ৰমাণ পত্ৰ

শ্ৰী ভূপেন দাস, ৰোল নং 30410003 স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ। তেওঁ মোৰ তত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE-4(B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে 'তেতেলিগুৰি গাঁৱৰ নেপালীসকলৰ জন্ম, মৃত্যু আৰু ব্ৰতবন্ধ, বিবাহ সম্পৰ্কীয় লোকাচাৰ' বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

20/05/2024

তত্বাৱধায়ক

অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

শিৱসাগৰ, অসম

Head of Deptt. Assamese
H.C.D.G. College
Nitaipukhuri, Sivasagar

# কৃতজ্ঞতা জ্ঞাপন

"তেতেলিগুৰি গাঁৱৰ নেপালীসকলৰ জন্ম, মৃত্যু আৰু ব্ৰতবন্ধ, বিবাহ সম্পৰ্কীয় লোকাচাৰ" এটি সমীক্ষাত্মক অধ্যয়ন শীৰ্ষক প্ৰকল্প প্ৰতিবেদনটি নিভা দাস বাইদেউৰ তত্ত্বাৱধানত প্ৰস্তুত কৰা হৈছে।

মোক বাইদেউৱে বিষয়বস্তু নিৰ্বাচনৰ পৰা প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰালৈকে বহুমূলীয়া দিহা-পৰামৰ্শৰ লগতে বিভিন্ন সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে তাৰ বাবে তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

প্ৰকল্প প্ৰতিবেদনটিৰ বাবে বিভিন্ন তথ্যৰ সম্ভেদ দি মোৰ প্ৰতিবেদনটি প্ৰস্তুত কৰাত সহযোগিতা আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক দিগন্ত গগৈ ছাৰ, সহকাৰী অধ্যাপিকা পিকুমণি চুতীয়া বাইদেউ, সহকাৰী অধ্যাপিকা মৃদুস্মিতা দত্ত, সহকাৰী অধ্যাপিকা শিল্পীশিখা গগৈ বাইদেউ আৰু শিক্ষাগুৰু ৰিপু কছাৰী ছাৰক কৃতজ্ঞতা আগবঢ়ালো। লগতে মই পঢ়ি অহা বিদ্যালয়ৰ ৰাম দাহাল ছাৰ, তেতেলিগুৰি গাঁৱৰ ডম্বৰু গৌতম ছাৰ আৰু ধেমাজি জিলাৰ কমল দাহাল ছাৰকো ধন্যবাদ জনালোঁ।

মোৰ গৱেষণা প্ৰকল্পৰ বাবে বিভিন্ন ক্ষেত্ৰত সহায় আগবঢ়োৱা হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুক ধন্যবাদ জ্ঞাপন কৰিলো। লগতে ডিটিপি কৰা উদয়ন ডিজিটেল প্ৰিণ্টাৰ্ছৰ কৰ্মকৰ্তাকো ধন্যবাদ জনালো।

ভূপেন দাস

ভূপেন দাস
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়,
নিতাইপুখুৰী

# সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| ০.০ অৱতৰনিকা | ১ |
| ০.১ বিষয়ৰ পৰিচয় | ২ |
| ০.২ অধ্যয়নৰ প্ৰয়োজনীয়তা | ২ |
| ০.৩ অধ্যয়নৰ পৰিসৰ | ২ |
| ০.৪ অধ্যয়নৰ পদ্ধতি | ২ |
| ০.৫ তথ্য আহৰণৰ উৎস | ২ |
| ১.০ বিষয়ৰ বিশ্লেষণ | ২ |
| ১.১ জন্ম সম্পৰ্কীয় লোকাচাৰ | ২-৩ |
| ১.২ মৃত্যুৰ লগত জড়িত লোকাচাৰ | ৩ |
| ১.৩ ব্ৰতবন্ধ বা উপনয়ন সম্পৰ্কীয় লোকাচাৰ | ৩ |
| ১.৪ বিবাহৰ লগত জড়িত লোকাচাৰ | ৩-৪ |
| ২.০ সিদ্ধান্ত | ৪ |
| ৩.০ উপসংহাৰ | ৫ |
| পৰিশিষ্ট | |
| গ্ৰন্থপঞ্জী | ৬ |
| তথ্য দাতাৰ তালিকা | ৬ |
| ক্ষেত্ৰ অধ্যয়নত ব্যৱহৃত প্ৰশ্নপত্ৰ নমুনা | ৭ |
| আলোকচিত্ৰ | ৮ |


Head of the ... Department
N.C.B.C. ...
Nitaipukhuri, Sivasagar

**০.০ অৱতৰনিকা ঃ**

নেপালী সকলৰ প্ৰধান বাসভূমি নেপাল ৰাষ্ট্ৰ। অসমৰ ভালেমান ঠাইত নেপালী লোকে বসবাস কৰে। তেওঁলোকে সুকীয়া আচাৰ-ৰীতি পালনেৰে নিজস্ব সংস্কৃতি অক্ষুণ্ণ ৰাখিছে। ইতিহাসিক সূত্ৰমতে অষ্টম শতিকাৰ নেপালৰ ৰজা জয়দেৱ দ্বিতীয়ই কামৰূপৰ শালস্তম্ভ বংশৰ পঞ্চম ৰজা হৰ্ষবৰ্ধনৰ জীয়েক কাঞ্চনমতীক বিয়া কৰাইছিল।

১৯১৫ খৃষ্টাব্দত কামৰূপ কোচ ৰাজবংশী ৰজা বিশ্বসিংহই নেপালৰ ৰজা মল্লৰ জীয়েক ৰত্নকান্তিক বিয়া কৰাইছিল। এই সময়ছোৱাত কামৰূপ আৰু নেপালৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কই কামৰূপলৈ নেপালী সকলৰ আগমন ঘটাত সহায় কৰিছিল।

ইয়ান্দাবু সন্ধিৰ পিছৰ পৰা অসমলৈ নেপালী লোকৰ আগমন বেছিকৈ ঘটে। [১]

অসমৰ চনপৰা আবাদী মাটি, পৰ্যাপ্ত চৰণীয়া চৰ অঞ্চলে তেওঁলোকক আকৰ্ষিত কৰিছিল। বৰ্তমান অসমৰ প্ৰায় প্ৰতিখন জিলাতে নেপালী লোকে বসবাস কৰে। অসম তথা ভাৰতৰ নেপালী ভাষীসকল গোৰ্খা নামে পৰিচিত। তেওঁলোকে জাতিৰ ক্ষেত্ৰত নেপালী শব্দ ব্যৱহাৰ নকৰে। নেপালীসকলে 'অসমীয়া গোৰ্খা' বুলি পৰিচয় দি গৰ্ববোধ কৰে। অসম চৰকাৰে অসমৰ গোৰ্খাসকলক খিলঞ্জীয়া জাতিত অন্তৰ্ভুক্তি কৰিছে আৰু 'গোৰ্খা উন্নয়ন পৰিষদ'ৰ গঠন কৰি দিছে।[২]

অসমত য'তেই গোৰ্খাসকলে স্থায়ীভাৱে বসবাস কৰিছে তাতেই অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰি অসমীয়া ভাষাতেই শিক্ষা-দীক্ষা গ্ৰহণ কৰি আহিছে। এই অসমীয়া শিক্ষানুষ্ঠানসমূহ স্থাপন কৰাত অসমীয়াৰ পাছতেই অসমীয়া গোৰ্খাসকলৰ স্থান আছে। ১৯৯২ চনৰ ২০ আগষ্ট তাৰিখে নেপালী ভাষাক ভাৰতৰ সংবিধানৰ ৮ম অনুসূচিত অন্তৰ্ভুক্ত কৰা হয়। [৩]

অসমত থকা প্ৰায়বোৰ সংঘ সংগঠনৰ নামত গোৰ্খা শব্দ ব্যৱহাৰ কৰা হৈছে। উদাহৰণস্বৰূপে— সদৌ অসম গোৰ্খা ছাত্ৰ সংঘ, অসম গোৰ্খা সন্মিলন আদি। অসমৰ গোৰ্খা সমাজ জীৱনত বহুতো অসমীয়া শব্দ ব্যৱহাৰ কৰা দেখা যায়। আচলতে নেপালী শব্দবোৰ পাহৰি গৈছে। অসমীয়া গোৰ্খা সাহিত্যকে এইবোৰ শব্দ লিখিত ৰূপতো ব্যৱহাৰ কৰিব লৈছে।

চাৰিটা বৰ্ণৰ লোক নেপালীসকলৰ মাজত আছে। আৰ্যগোষ্ঠীয় ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। পজা পাতল আৰু শাস্ত্ৰ অধ্যয়নত ব্ৰতী উপাধ্যায় আৰু শৰ্মা উপাধিৰ লোকসকল ব্ৰাহ্মণ, শাসন কাৰ্যত ছেত্ৰী উপাধিধাৰীসকল ক্ষত্ৰিয়, বেপাৰ-বাণিজ্য কৰাসকল বৈশ্য আৰু বিশ্বকৰ্মা, কাৰ্কি উপাধিধাৰীসকল শূদ্ৰ।[৪]

Head of the Department ... College ... Sivasagar

১. জয়া কলিতা ঃ অসমৰ নেপালী জনগোষ্ঠী সমাজ আৰু সংস্কৃতি (পৃষ্ঠা ঃ ১৭৭)

২. ঐ ঃ (পৃষ্ঠা ঃ ১২)

৩. মলিনা দেৱী ৰাভা ঃ অসমৰ জনজাতি আৰু সংস্কৃতি (পৃষ্ঠা ঃ ২৫৭)

৪. প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য ঃ অসমৰ জনজাতি (পৃষ্ঠা ঃ ১১১)

## ০.১ বিষয়ৰ পৰিচয় ঃ

অসমৰ গোৰ্খাসকলৰ উৎসৱ-পাৰ্ৱনসমূহ লক্ষ্য কৰিলে আমি ভাৰতীয় সংস্কৃতিৰ অন্তৰ্গত প্ৰায় সকলো ধৰ্মৰে একে দেখা পাওঁ। সনাতনী হিন্দু ধৰ্মীয় সংস্কৃতিৰ আধাৰত গোৰ্খা সংস্কৃতিয়ে বিকাশ লাভ কৰাৰ বাবেই সম্ভৱতঃ এনে মিল দেখা গৈছে।

মানুহৰ জীৱনৰ ভিতৰত ঘটা জন্ম, মত্যু, ব্ৰতবন্ধ আৰু বিবাহ আৰু মৃত্যু জীৱনৰ গুৰুত্বপূৰ্ণ অংশ এই ঘটনাবোৰ সকলোৱে গুৰুত্ব সহকাৰে লৈ নিজা পদ্ধতিৰে সমাধান কৰাৰ ব্যৱস্থা আছে। অসমৰ গোৰ্খা সমাজতো এই তিনিটাৰ উপৰিত্ত ব্ৰতবন্ধ (উপনয়ন) আৰু কন্যাসন্তানৰ প্ৰথম ঋতু ঋতুশ্ৰাবকো গুৰুত্ব সহকাৰে লোৱা হয়।

## ০.২ অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ

তেতেলিগুৰি নেপালীভাষী বা নেপালীভাষা লোক বুলি ক'লে আৰ্য-মঙ্গোল-কিৰাত সংমিশ্ৰিত জনসমূদায়ক বুজা যায়। সাম্প্ৰতিক সময়ত তেতেলিগুৰি নেপালীভাষী লোকক 'গোৰ্খা' নামেৰেও জনা যায়। তেতেলীগুৰি অঞ্চলৰ নেপালীসকলে সকলো জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে বাস কৰি আহিছে। তেওঁলোক সকলো ধৰণৰ পূজা-পাতল কৰে। তেতেলিগুৰি লোকসকলে গোটেই বছৰ জুৰি বিভিন্ন উৎসৱ-পাৰ্বণ পালন কৰে। মহিলাসকলে পালন কৰা 'তীজ' পাৰিবাৰিক সম্বন্ধ নিকপকপীয়া কৰা উৎসৱ।

## ০.৩ অধ্যয়নৰ পৰিসৰ ঃ

এই গৱেষণা পত্ৰখনত মূল বিষয় হৈছে নেপালী মানুহৰ জীৱনৰ ভিতৰত ঘটা জন্ম আৰু মৃত্যু, ব্ৰতবন্ধ বা উপনয়ন বিবাহ সম্পৰ্কীয় জীৱনৰ গুৰুত্বপূৰ্ণ অংগ। এই ঘটনাবোৰ সকলোৱে গুৰুত্ব-সহকাৰে লৈ নিজা নিজা পদ্ধতিৰে সমাধান কৰাৰ ব্যৱস্থা আছে। অসমৰ গোৰ্খা সমাজতো এই চাৰিটাৰ উপৰিও আৰু কন্যাসন্তানৰ প্ৰথম ঋতুশ্ৰুকো গুৰুত্ব সহকাৰে লোৱা হয়।

## ০.৪ অধ্যয়নৰ পদ্ধতি ঃ

"তেতেলিগুৰি গাঁৱৰ নেপালীসকলৰ জন্ম আৰু মৃত্যু, ব্ৰতবন্ধ, বিবাহ সম্পৰ্কীয় লোকাচাৰ"। শীৰ্ষক বিষয়টো বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা কৰা হৈছে। প্ৰয়োজন সাপেক্ষে বিশ্লেষনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

## ০.৫ তথ্য আহৰণৰ উৎস ঃ

"তেতেলিগুৰি গাঁৱৰ নেপালীসকলৰ জন্ম আৰু মৃত্যু, ব্ৰতবন্ধ, বিবাহ সম্পৰ্কীয় লোকাচাৰ" বিষয়টো অধ্যয়ন কৰোতে প্ৰধানকৈ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে প্ৰয়োজনীয় তথ্য আহৰণ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ উপৰিও আলোকচিত্ৰ বিষয়টো সম্পৰ্কে প্ৰকাশিত গ্ৰন্থ, প্ৰবন্ধ আৰু ইন্টাৰনেটত উপলদ্ধ তথ্য আদিৰ সহায় লোৱা হৈছে।

# ১.০ বিষয় বিশ্লেষণ

## ১.১ জন্মৰ সম্পৰ্কীয় লোকাচাৰ ঃ

তেতেলিগুৰি গাঁৱৰ নেপালীসকলে তেওঁলোকৰ ঘৰত সন্তান জন্ম হ'লে সকলোৱে আনন্দ কৰে, সকলোৰে মুখত হাঁহি বিৰিঙি উঠে। অন্যহাতে, সন্তান জন্ম হোৱাৰ লগে লগে সেই ঘৰখন আৰু নিকটাত্মীয়ৰ ঘৰতো 'সুতক লগা' বুলি কোৱা হয়। এই 'সুতক লগা' সময়ছোৱাত নিজৰ আৰু নিকটাত্মীয়ৰ ঘৰত কোনো মাংগলিক অনুষ্ঠানৰ আয়োজন কৰাত

Head of ... H.C.D ...

নিষেধ আছে। সন্তান জন্ম দিয়া মাতৃক 'চুৎকেৰী' (প্ৰসূতি) বোলা হয়। প্ৰচলিত নিয়ম মতে জন্মৰ ১১ দিনত 'নোৱাৰণ' (নামাকৰণ) অনুষ্ঠানৰ আয়োজন কৰে। পুৰোহিতে বা জ্যোতিষীয়ে জন্মলগ্নৰ ৰাশি-নক্ষত্ৰ গণনা কৰি শিশুৰ নামৰ আদ্যাক্ষৰ নিৰ্ণয় কৰে আৰু সেইমতে শিশুৰ নাম ৰখা হয়। প্ৰসূতি মাতৃগৰাকী প্ৰায় এমাহৰ পাছতহে শুদ্ধ (পবিত্ৰ) হয় বুলি গোৰ্খা সমাজে বিশ্বাস কৰে।

## ১.২ মৃত্যুৰ লগত জড়িত লোকাচাৰ ঃ

গোৰ্খাসকলৰ প্ৰচলিত প্ৰথামতে ঘৰত কাৰোবাৰ মৃত্যু হ'লে হিন্দু ধৰ্মীয় বিধি-বিধানেৰে নশ্বৰদেহ মাৰ্কিন কপোৰত মেৰিয়াই বাঁহেৰে নিৰ্মিত চাঙত তুলি শ্মশান থলীলৈ নিয়া হয়। সাধাৰণতে, নদীৰ কাষত শৱদাহ কৰা প্ৰথা আছে। মৃতকৰ সৎকাৰ কাৰ্য সম্পন্ন হোৱাৰ পাছত পুত্ৰসকলে মূৰৰ চুলি খুৰাই নদীত স্নান কৰি বগা নাইবা হালধীয়া বস্ত্ৰ পৰিধান কৰে। ঘৰলৈ ঘূৰি আহি ইতিমধ্যে নিৰ্দিষ্ট কৰি সজাই থোৱা 'কোৰ' (কোঠা)ত পুত্ৰসকলে সোমাই থাকে। তেওঁলোকক 'ক্ৰিয়া পুত্ৰী' বোলা হয়। সেইদিনা তেওঁলোক 'ক্ষেত্ৰবাসত' থাকিব লাগে বাবে একো নাখায়। পিছ দিনা দিনত বাৰীৰ এচুকত অথবা নদীৰ পাৰত মৃতকলৈ 'টিকুৰো' (পিণ্ডদানথলী) তৈয়াৰ কৰি পুৰোহিতৰ সহায়ত পিণ্ডদান কাৰ্য সম্পন্ন কৰে। তাৰ পাছতহে ক্ৰিয়াপুত্ৰীসকলৰ বাবে আছুতীয়াকৈ ৰখা বাচনত ভাত ৰান্ধি ঘিঁউ আৰু আদাৰ লগত খায়। এইদৰে বাৰ বা তেৰ দিনলৈকে ক্ৰিয়াপুত্ৰীসকলে মৃতকৰ, তেল, হালধি আদি খাদ্য নিষিদ্ধ। মৃত্যুৰ পঞ্চম দিনাৰ পৰা পুৰোহিতে গৰুড় পুৰাণৰ প্ৰেতকল্প পাঠ কৰি শুনায়। এই পুৰাণ ক্ৰিয়াপুত্ৰী আৰু জীয়ৰী-বোৱাৰী সকলে শ্ৰৱণ কৰিব লাগে। গৰুড় পুৰাণ পাঠ পৰ্ব দশম দিনা সম্পন্ন হয়। এঘাৰ দিনৰ দিনা ১৬ পিণ্ডদান অনুষ্ঠান অনুষ্ঠিত হয়। বাৰ বা তেৰ দিনৰ 'শুদ্ধাই' (শুদ্ধিকৰণ) ৰ আয়োজন কৰি মৃতকৰ সৎকাৰত সহযোগ কৰা সকলো ব্যক্তিক (মলামী) আপ্যায়ন কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত ক্ৰমে পোন্ধৰদিনীয়া শ্ৰাদ্ধ, উনমাসে (উনত্ৰিশ দিনীয়া) মাসে (মাহেকীয়া), পইতালিচ (পঞ্চলিছ দিনীয়া), ছমাহে (ছমহীয়া) আৰু তাৰ পাছত প্ৰত্যেক বছৰৰ মৃত্যুৰ তিথিত বছৰেকীয়া শ্ৰাদ্ধ পতাৰ নিয়ম আছে।

## ১.৩ ব্ৰতবন্ধ বা উপনয়ন সম্পৰ্কীয় লোকাচাৰ ঃ

আৰ্য্যামূলীয় ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য বৰ্ণৰ লোকসকলৰ মাজত প্ৰচলিত এই ব্ৰতবন্ধ বা উপনয়ন হ'ল এক সংস্কাৰ যুক্ত ব্যৱস্থা, বৈদিক বিধি-বিধানৰ এক নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেদি পুত্ৰসকলক লগুন পিন্ধোৱা হয় আৰু পণ্ডিতৰ দ্বাৰা আনে নুশুনাকৈ 'গায়ত্ৰী মন্ত্ৰ' কাণৰ ওচৰত মুখ থৈ শুনোৱা হয়। গায়ত্ৰী মন্ত্ৰ শুনোৱা পণ্ডিতজনক 'গায়ত্ৰী গুৰু' বুলি শিষ্যই ওৰে জীৱন মানি চলে। এই ব্ৰতবন্ধ বা উপনয়ন ব্যক্তিগত আৰু সমূহীয়াভাৱে অনুষ্ঠিত কৰা হয়। লগুন পিন্ধাসকলেহে ধৰ্মীয় তথা মাংগলিক অনুষ্ঠানত সক্ৰিয় অংশগ্ৰহণ কৰিব পাৰে।

## ১.৪ বিবাহৰ লগত জড়িত সম্পৰ্কীয় লোকাচাৰ ঃ

মানুহৰ জীৱনৰ অতিকৈ গুৰুত্বপূৰ্ণ অংশ হ'ল বিবাহ। এই বিবাহ কাৰ্য হোম যজ্ঞ পুৰি বৈদিক প্ৰথাৰে সম্পন্ন কৰা হয়। বিবাহ উপযোগী ল'ৰা আৰু ছোৱালী ঘৰৰ মাজত প্ৰথমতে আলোচনা হয় আৰু পাত্ৰ-পাত্ৰীৰ ৰাশি, নক্ষত্ৰ জ্যোতিষীয়ে মিলাই লৈ 'কুণ্ডলী মিলিছে' বুলি কোৱাৰ পাছত বিবাহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। একে উপাধি থকা মোমায়েকৰ উপাধি থকা ল'ৰা-ছোৱালী আৰু স্বগোত্ৰীৰ মাজত বিবাহ নিষিদ্ধ। বিবাহ কাৰ্যৰ দ্বিতীয় চৰণত ল'ৰাঘৰীয়াৰ লোক ছোৱালী ঘৰত 'জনেই চুপাই' গ্ৰহণ কৰে। এয়া এক ধৰণৰ প্ৰতিশ্ৰুতি প্ৰদান অনুষ্ঠান। আকৌ বিয়াৰ কেইদিনমান পূৰ্বে 'পত্ৰ লগোৱা' কাৰ্য পালন কৰে। কাৰণ পত্ৰ লগোৱাৰ পাছত কোনো কাৰণতে বিবাহ বাতিল বা বিলম্ব কৰিব নোৱাৰে। বিয়াৰ আগদিনা 'কচাৰ বটা'লৈ বোলা হয়। সেই দিনা দৰাঘৰত নান্দীমুখী শ্ৰাদ্ধ পতা হয় আৰু চাউলৰ পিঠাগুৰি ভাজি গুৰৰ লগত মিলাই 'কচাৰ লাড়ু' তৈয়াৰ কৰা হয়। এই লাড়ু আৰু চিৰা অভ্যাগতসকলক খাবলৈ দিয়া হয়। বিয়াৰ দিনা 'বেউলা' 'দৰা' জন্তীৰ (বৰযাত্ৰী) লগত 'নৌমতী বাজা', অথবা পঞ্চেবাজা লৈ 'বেউলী' (কইনা) ৰ ঘৰলৈ যায়। কইনাৰ ঘৰ পোৱাৰ আগে আগে

Head ... H.C.D.G. ... Nalbari, Bhaba...

বৰযাত্ৰীৰ মাজৰ পৰা পাঁচ-ছয়গৰাকী আহিছে বুলি তাৰ খবৰ দিয়েহি আৰু সেই মতে কইনাঘৰীয়াই আপ্যায়নৰ ব্যৱস্থা কৰে। আগতিয়াকৈ খবৰ দিয়া এই ব্যক্তি কেইগৰাকীক 'ভাত খৰাও' বোলা হয়। দৰা কইনাৰ ঘৰত উপনীত হোৱাৰ পাছত কইনাঘৰীয়াই দৰা আৰু বৰযাত্ৰীসকলক অক্ষতা (চাউল) চন্দন আৰু ফুল ছটিয়াই আদৰণি জনায়। এই কাৰ্য্যক 'বেউলো পছিনে' বোলে। তাৰ পৰৱৰ্তী সময়ত আঙঠি পিন্ধোৱা পৰ্ব হ'ল দৰা ঘৰীয়া আৰু কইনাঘৰীয়াৰ বিজ্ঞজনৰ মাজত ৰামায়ণ অথবা মহাভাৰতৰ শ্লোক গোৱা প্ৰতিযোগিতা হয়। শ্লোকৰ প্ৰতিযোগিতা চলি থাকোতে প্ৰতিদ্বন্দ্বীসকলে থলীতে ৰচনা কৰা কবিতাৰে ইজনে সিজনক ধৰাশায়ী কৰিব বিচৰা কাৰ্য বৰ আমোদজনক। এই প্ৰতিদ্বন্দ্বিতাত ভাগ লোৱা লোকক 'কবিতে' বোলা হয়।

বিয়াত দৰা-কইনাৰ 'গোড়া-ধোঁৱা (ভৰি-ধোৱা) পৰ্ব গোৰ্খাসমাজৰ বিয়াৰ এক গুৰুত্বপূৰ্ণ অংশ। কইনাৰ পিতৃ-মাতৃকে ধৰি তেজৰ সম্পৰ্ক থকা সকলো আত্মীয়ই এই পৰ্বত অংশগ্ৰহণ কৰে (কন্যাদান)। অনুষ্ঠানত চেউৰী গৰুৰ নেজত ধৰি পিতৃ-মাতৃয়ে নিজৰ কন্যাক দৰালৈ দান কৰে। ওৰে নিশা বিবাহ কাৰ্য চলি থাকে আৰু পুৱাৰ ভাগত সমাপন হয় আৰু শোকাকুল পৰিৱেশৰ মাজত কইনাক বিদায় দিয়া হয়। লগ্ন থাকিলে দিনৰ ভাগতো বিবাহ কাৰ্য চলোৱা নিয়ম আছে। কইনাঘৰত ওচৰ-চুবুৰীয়া মহিলাসকলে একত্ৰিত হৈ নাচ-গান কৰে। মহিলাসকলৰ এই ৰং-ধেমালিক 'ৰতৌলী খেলা' বোলা হয়। বিয়াৰ পিছদিনা দৰাঘৰত বৌভতেৰ আয়োজন কৰা হয়। মাকৰ ঘৰৰপৰা অনা খাদ্য বস্তুৰে ন-ছোৱালীয়ে পৰিয়ালৰ সকলো সদস্যৰ বাবে খাদ্য প্ৰস্তুত কৰি বিতৰণ কৰে। বিয়াৰ চতুৰ্থ দিনত 'চতুৰ্থী' পূজাৰ লগত সঙ্গতি ৰাখি সেই দিনা 'শিলা পূজন' (সন্তানৰ প্ৰতীক) কৰা হয় আৰু বিয়াৰ সকলো পৰ্ব সম্পন্ন হয়।

## ২.০ সিদ্ধান্ত ঃ

মানুহৰ জীৱনটোত জন্ম, মৃত্যু, বিবাহ এই তিনি ঘটনাৰ সমষ্টি। তেতেলিগুৰি গাঁৱৰ জন্ম, মৃত্যু, বিবাহ আৰু ব্ৰতবন্ধ সম্পৰ্কীয় লগত জড়িত লোকাচাৰ আলোচনা কৰাৰ অন্তত কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰি। তলত সেই সম্পৰ্কে উল্লেখ কৰা হ'ল—

ক) তেতেলিগুৰি গাঁৱৰ আশে-পাশে দেউৰী, মিচিং, কৈৱৰ্ত্ত, কোচ, বিহাৰী সম্প্ৰদায়ৰ লোক বাস কৰে সেইহেতু তেওঁলোকৰ মাজত সংস্কৃতি আদান-প্ৰদান হয়। গতিকে তেতেলিগুৰি গাঁৱত এক সংমিশ্ৰিত সংস্কৃতি গঢ়ি উঠিছে।

খ) মানুহ সামাজিক প্ৰাণী। জন্ম, বিবাহ, মৃত্যু আৰু ব্ৰতবন্ধ এই চাৰিটাৰ লগত কেৱল এজন ব্যক্তিয়ে জড়িত হৈ নাথাকে সমাজৰ সৰহ সংখ্যক লোকে কোনো এঘৰৰ জন্ম, মৃত্যু, বিবাহ আৰু ব্ৰতবন্ধৰ সৈতে সম্পৰ্কিত হৈ থাকে। যিহেতু এখন সমাজ নিৰ্দিষ্ট ৰীতি-নীতিৰে আগবাঢ়ি গৈ থাকে আৰু সেইবোৰে লোকাচাৰৰ নাম পাইছে। তেতেলিগুৰি গাঁৱতো জন্ম, বিবাহ, মৃত্যু আৰু ব্ৰতবন্ধৰ বিভিন্নধৰণৰ লোকাচাৰ আছে।

বৰ্তমান মানুহৰ মনবোৰ বিজ্ঞান সন্মত হৈ পৰিছে। পূৰ্বতে পালন কৰা লোকাচাৰসমূহ পাহৰণি গৰ্ভত লীন হৈ গৈছে। তথাপিও এখন সমাজত কিছুমান নিৰ্দিষ্ট লোকাচাৰ থাকিবই আৰু সেই লোকাচাৰখিনিৰে তেতেলিগুৰি গাঁৱখনক সমৃদ্ধ কৰিছে। লগতে এই লোকাচাৰ সক্ৰিয় হৈ আছে আৰু সক্ৰিয় গৈ থাকিব।

**৩.০ উপসংহাৰ ঃ**

তেতেলিগুৰি গাঁৱৰ নেপালীসকলৰ উপৰি আমাৰ অসমৰ নেপালীসকলৰ জনসংখ্যা বৰ বেছি নহয়। নেপালীসকল অসমত বসবাস কৰি থকা আৰ্যগোষ্ঠীয় লোক আৰু তেওঁলোক ছেত্ৰী, শৰ্মা বংশধৰ। সেয়েহে নেপালীসকলৰ বিভিন্ন ধৰ্ম, ভাষা, আচাৰ-ব্যৱহাৰ অনুষ্ঠান 'গোৰ্খা' সকলৰ প্ৰভাৱ বিদ্যমান।

সময় পৰিৱৰ্তনশীল । সময়ৰ গতিত সকলোতে পৰিৱৰ্তন হয়। ইয়াৰ লগে লগে মানুহৰ মানসিকতালৈও পৰিৱৰ্তন আহে। ফলস্বৰূপে ভাষা-সংস্কৃতিকো আধুনিকতাই প্ৰভাৱিত কৰিছে। অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰেই তেওঁলোকেও পৰম্পৰাগতভাৱে বিভিন্ন ধৰণৰ ধৰ্মীয় ৰীতি-নীতি পালন কৰি আহিছে তদুপৰি শেহতীয়াকৈ আজি কিছু বছৰৰ আগৰ পৰা অসমৰ জনগোষ্ঠীসমূহৰ মাজত স্বকীয়তা ৰক্ষাৰ প্ৰতি যত্নপৰ হোৱা দেখা যায়, যিটো জনগোষ্ঠীটোৰ বাবে অতি গুৰুত্বপূৰ্ণ কথা। এই প্ৰকল্পটো পৰা আমি নেপালীসকলৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বস্তু বিষয়ে জানিব পাৰিলো।

**গ্ৰন্থপঞ্জী ঃ**


১। কলিতা, জয়া ঃ অসমৰ নেপালী জনগোষ্ঠীয় সমাজ আৰু সংস্কৃতি
অসম সাহিত্য সভা
প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ২০২০

২। কাগযুং, মৃণালী ঃ অসমৰ সংস্কৃতি অধ্যয়ন
শ্ৰী ৰমেশ প্ৰসাদ লডিয়া
সৰস্বতী প্ৰকাশক, ভাগৱতী প্ৰসাদ লডিয়া পথ
প্ৰথম প্ৰকাশক আগষ্টৰ ২০২০

৩। দাস, অংশুমান ঃ অসমৰ বাৰেবৰণীয়া সংস্কৃতি প্ৰথম প্ৰকাশক ২০১০ ডিচেম্বৰ

৪। ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ ঃ অসমৰ জনজাতি
প্ৰকাশক প্ৰদীপ ভূঞা
প্ৰথম প্ৰকাশ ১৯৬২

৫। ৰাভা, মলিনা দেৱী ঃ অসমৰ জনজাতি আৰু সংস্কৃতি
অসম সাহিত্য সভা
প্ৰথম প্ৰকাশ ডিচেম্বৰ ২০২০


**তথ্য দাতাৰ তালিকা ঃ**

| ক্ৰঃ নং | নাম | বয়স | গাঁও | বৃত্তি | ফোন নং |
|---|---|---|---|---|---|
| ১ | শ্ৰী ডম্বৰু গৌতম | ৬৫ | তেতেলিগুৰি | শিক্ষক | ৯১০১০২৬১৭৫ |
| ২ | শ্ৰী ৰিভা সোনাৰি | ৬৫ | তেতেলিগুৰি | খেতিয়ক | |
| ৩ | শ্ৰী মহেন্দ্ৰ উপাধ্যায় | ৮৫ | তেতেলিগুৰি | বয়োজ্যেষ্ঠ ব্যক্তি | ৯১০১০২৬১৭৫ |
| ৪ | শ্ৰী ৰাম দাহাল | ৬৭ | তেতেলিগুৰি | শিক্ষক | ৮৮২২০৭৩৫৭৬ |
| ৫ | শ্ৰী কমল দাহাল | ৩৮ | তেতেলিগুৰি | শিক্ষক | ৯৬৭৮২১৩৮৬০ |

২) তেওঁলোকৰ গাঁৱৰ মানুহৰ জনসংখ্যা ।

৩) তেওঁলোকৰ ল'ৰা-ছোৱালী জন্ম সময়ত পালন কৰা লোকাচাৰ?

৪) তেওঁলোকে পালন কৰা পূজা?

৫) জন্ম দিয়া মাতৃগৰাকীক কি বুলি কোৱা হয়?

৬) জন্ম হ'লে ঘৰত কি কৰা হয়?

৭) ল'ৰা জন্ম হ'লে কি কৰা হয় আৰু ছোৱালী জন্ম হ'লে কি কৰা হয়?

৮) মৃত্যু হোৱা লোকজনক কি কৰা হয়?

৯) মৃতকৰ ক্ষেত্ৰত কেনেধৰণৰ নিয়ম কৰা হয়?

১০) কিমান ঘৰ মানুহ আছে?

১১) সকলো জাতি-জনগোষ্ঠী মিল আছে নে?

১২) তেতেলিগুৰি অঞ্চলত নামঘৰ আছে নে?

১৩) উপনয়নৰ নিয়মসমূহ কেনেধৰণৰ?

১৪) বিয়াৰ সময়ত কি কৰা হয়?

চিত্র ঃ ক্ষেত্র ভিত্তিক অধ্যয়ন



বিবাহ সম্পর্কীয়



# আলোকচিত্ৰ ঃ ক্ষেত্ৰ ভিত্তিক অধ্যয়ন



তেতেলিগুৰি গাঁৱৰ ডম্বৰু গৌতম ছাৰৰ লগত

